**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ কালি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান হয়।

২। প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে।

৩। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰী আৰু বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ড০ মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

৪। আফ্ৰিকা মহাদেশৰ অন্তৰ্গত মুজাম্বিকৰ ৰাজধানী মাপুট'ত উচ্চ সুৰক্ষা সম্পন্ন এখন জে'লৰ পৰা বৰদিনৰ দিনা কমেও ৬ হাজাৰ কয়দীয়ে পলাবলৈ কৰা চেষ্টাত ৩৩ জন কয়দীৰ মৃত্যু হোৱাৰ লগতে আন ১৫ জন গুৰুতৰভাৱে আহত হয়। **আৰু**

৫। বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টত অষ্ট্ৰেলিয়াই কালি ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩১১ ৰানৰ পৰা আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰিছে।

ooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ কালি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। কালি সন্ধিয়া নিজ বাসভৱনত হঠাৎ তেওঁ সংজ্ঞাহীন হৈ পৰাৰ পাছত নিশা ৮ বজাত ড০ সিঙক জটিল অৱস্থাত চিকিৎসালয়খনৰ জৰুৰীকালীন বিভাগত ভৰ্তি কৰোৱা হয়। অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ সূত্ৰই প্ৰকাশ কৰা মতে চিকিৎসক সকলৰ সকলো ধৰণৰ প্ৰচেষ্টা বিফল হৈ নিশা ৯ বাজি ৫১ মিনিটত তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰা হয়। বিগত কিছু মাহ ধৰি ড০ সিঙৰ স্বাস্থ্য কিছু অৱনতি ঘটিছিল। মৃত্যুৰ সময়ত প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীয়ে পত্নী গুৰশ্বৰণ কৌৰ আৰু তিনিগৰাকী জীয়ৰীক এৰি থৈ যায়। প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ চৰকাৰৰ দিনত ড০ সিঙে বিত্তমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু তেওঁ ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰৰ স্থপতিবিদ হিচাপে বিবেচিত হৈছিল। ২০০৪-২০১৪ চনলৈ কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ সময়ত ড০ সিঙে দুটা কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ৩৩ বছৰ সেৱা আগবঢ়োৱাৰ পাছত চলিত বৰ্ষৰ এপ্ৰিলত তেওঁ ৰাজ্যসভাৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৩২ চনৰ ২৬ ছেপ্তেম্বৰত অবিভাজিত ভাৰতবৰ্ষৰ পাঞ্জাৱ প্ৰদেশত জন্মগ্ৰহণ কৰা ড০ সিঙে ২০০৪-২০১৪ চনলৈ দেশৰ ত্ৰয়োদশ প্ৰধানমন্ত্ৰী হিচাপে সেৱা আগবঢ়াইছিল।

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি হ'বলগীয়া সকলোবোৰ চৰকাৰী কাৰ্যসূচী বাতিল কৰা হৈছে। আজি দিনৰ ১১ বজাত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন বিশেষ বৈঠকৰ আহ্বান কৰা হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকলে ড০ মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে ড০ সিং সেইসকলক ৰাজনীতিবিদৰ মাজৰ এজন যিয়ে শিক্ষা আৰু প্ৰশাসন দুয়োটা ক্ষেত্ৰতে সমানেই কাম কৰিছিল। তেওঁ কয়, যে ভাৰতীয় অৰ্থনীতিৰ সংস্কাৰৰ ক্ষেত্ৰত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱা, কলুষতাবিহীন ৰাজনৈতিক জীৱন আৰু অত্যন্ত বিনম্ৰ স্বভাৱৰ বাবে ড০ সিং সদায় স্মৰণীয় হৈ ৰ'ব বুলি ৰাষ্ট্ৰীপতিয়ে উল্লেখ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এটা শোকবাৰ্তাত কয়, যে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী এগৰাকী বিশিষ্ট অৰ্থনীতিবিদ আছিল যিয়ে ভাৰতীয় অৰ্থনীতিৰ দৃশ্যপট সলনি কৰিছিল। পদ্মবিভূষণ সন্মানেৰে বিভূষিত ড০ সিঙে বহু গুৰুত্বপূৰ্ণ সংস্কাৰৰ জৰিয়তে দেশৰ বিকাশ আৰু সমৃদ্ধিৰ বাবে নতুন পথ মুকলি কৰিছিল বুলি উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোকবাৰ্তাত দেশে বিশিষ্ট নেতাসকলৰ এজনক হেৰুৱালে বুলি উল্লেখ কৰে। সংসদত সকলো বিষয় সবলভাৱে উপস্থাপন কৰাৰ ক্ষেত্ৰত ড০ সিঙৰ ভূমিকাৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয়, যে প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়ত ড০ সিঙে জনসাধাৰণৰ জীৱন শৈলী উন্নত কৰাৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছিল।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই তেওঁৰ শোকবাৰ্তাত ইতিহাসে প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীক নিসন্দেহে বিনম্ৰতাৰে সুঁৱৰিব বুলি উল্লেখ কৰে। তেওঁ কয়, যে ড০ সিঙৰ অৰ্থনৈতিক উদাৰীকৰণ নীতি আৰু কল্যাণমূলক চিন্তাধাৰাই কোটি কোটি নাগৰিকৰ জীৱন পৰিৱৰ্তন কৰি বাস্তৱিকতে দেশত মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি কৰাৰ লগতে লাখ লাখ লোকক দৰিদ্ৰতাৰ পৰা মুক্তি দিছিল।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে যোৱা নিশা ৱাশ্বিংটন ডি চিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জেক ছুলিভানক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু আমেৰিকাৰ মাজৰ কৌশলগত অংশীদাৰিত্ব উন্নত কৰাৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে সাম্প্ৰতিক বিষয়সমূহত মত বিনিময় কৰে। ড০ জয়শংকৰ যোৱা ২৪ ডিচেম্বৰত ছদিনীয়া কাৰ্যসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈছে। এই ভ্ৰমণকালত তেওঁ আমেৰিকাৰ বিদেশ মন্ত্ৰীৰ সৈতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ লগতে গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক বিষয় সন্দৰ্ভত আলোচনাত মিলিত হ'ব। তেওঁ লগতে আমেৰিকাৰ কনচুল জেনেৰেলছ অৱ ইণ্ডিয়াৰ এখন সন্মিলনত অধ্যক্ষতা কৰিব।

০০০০০

চতুৰ্থ সু-শাসন সপ্তাহ আৰু **প্ৰশাসন গাঁৱৰ দিশে** অভিযানৰ সফলতাৰে সামৰণি পৰিছে। প্ৰশাসন সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগৰ যুটীয়া উদ্যোগত যোৱা ১৯ ডিচেম্বৰৰ পৰা ২৫ ডিচেম্বৰলৈ সু-শাসন সপ্তাহ আৰু ৰাষ্ট্ৰজোৰা **প্ৰশাসন গাঁৱৰ দিশে** অভিযান ৰূপায়ণ কৰা হয়। দেশৰ সৰ্ববৃহৎ কাৰ্যসূচী হিচাপে বিবেচিত হোৱা এই ব্যৱস্থাই নাগৰিককেন্দ্ৰিক শাসন আৰু জনসাধাৰণলৈ সকলো ধৰণৰ সেৱা নিজ ঘৰতে আগবঢ়োৱাৰ দিশত গুৰুত্ব আৰোপ কৰিছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে **প্ৰশাসন গাঁৱৰ দিশে** কেৱল এটা শ্ল'গানেই নহয় বৰং ই হৈছে কাৰ্যকৰী শাসন ব্যৱস্থাত গ্ৰাম্য সম্প্ৰদায়ৰ ওচৰলৈ লৈ যোৱাৰ লক্ষ্যৰে গ্ৰহণ কৰা এটা সংস্কাৰমূলক কাৰ্যসূচী। এই অভিযানৰ সময়ছোৱাত

জনসাধাৰণলৈ উন্নত সেৱা প্ৰদানৰ উদ্দেশ্যে ৰাজহুৱা ওজৰ-আপত্তিসমূহ নিস্পত্তি কৰাৰ বাবে তেহচিলৰ মুখ্য কাৰ্যালয় আৰু পঞ্চায়তসমূহত বিশেষ কাৰ্যসূচী আৰু শিবিৰ আদি অনুষ্ঠিত হয়।

০০০০০

আফ্ৰিকা মহাদেশৰ অন্তৰ্গত মুজাম্বিকৰ ৰাজধানী মাপুট'ত উচ্চ সুৰক্ষা সম্পন্ন এখন জে'লৰ পৰা বৰদিনৰ দিনা কমেও ৬ হাজাৰ কয়দীয়ে পলাবলৈ কৰা চেষ্টাত ৩৩ জন কয়দীৰ মৃত্যু হোৱাৰ লগতে আন ১৫ জন গুৰুতৰভাবে আহত হয়। দেশখনত শেহতীয়াকৈ নিৰ্বাচনী ফলাফলৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতাৰ মাজতে এই ঘটনা সংঘটিত হয়। জে'লৰ পৰা পলাবলৈ চেষ্টা কৰা কয়দীসকলৰ নিৰাপত্তা বাহিনীৰ সৈতে হোৱা হতাহতিৰ ফলতে ৩৩ জনকৈ কয়দীৰ মৃত্যু হয় বুলি দেশখনৰ আৰক্ষীয়ে প্ৰকাশ কৰিছে। মুজাম্বিকৰ উচ্চ ন্যায়ালয়ে ১৯৭৫ চনৰ পৰা শাসনত থকা ফ্ৰেলিম' দলে অক্টোবৰৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত জয়লাভ কৰা বুলি ৰায় দিয়াৰ পাছতে দেশখনত ৰাজনৈতিক অস্থিৰতা বৃদ্ধি পায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগে এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

কেংগেৰু বাহিনীয়ে বক্সিং ডে' টেষ্টত প্ৰথম ইংনিছৰ আজিৰ দ্বিতীয় দিনৰ খেলৰ মধ্যাহ্ন ভোজন বিৰতিলৈ ৭ উইকেটত ৪৫৪ ৰান সংগ্ৰঙ কৰিছে। দলটোৱে কালি ৬টা উইকেট হেৰুৱাই সংগ্ৰহ কৰা ৩১১ ৰাণৰ পৰা আজিৰ খেল আৰম্ভ কৰি ষ্টিভ স্মিথৰ দৰ্শনীয় বেটিঙৰ সবল স্থিতিত উপনীত হ'বলৈ সমৰ্থ হৈছে। স্মিথে এই মুহূৰ্তত ১৩৯ ৰানত অপৰাজিত হৈ আছে।

ইপিনে বলিঙত ভাৰতৰ হৈ জছপ্ৰীত বুমৰাই এতিয়ালকৈ সৰ্বাধিক ৩টা উইকেট লাভ কৰিছে। উল্লেখযোগ্য যে চলিত বৰ্ডাৰ গাভাস্কাৰ টেষ্ট্ শৃংখলাত উভয় দলেই এখনকৈ খেলত জয়লাভ কৰিছে আৰু বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হ'বলৈ দুয়োটা দলৰ বাবেই এই টেষ্ট শৃংখলা অত্যন্ত গুৰুত্বপূৰ্ণ।

০০০০০

বিশ্বৰ দ্বাদশ বাছনিৰ ভাৰতীয় খেলুৱৈ লক্ষ্যসেনৰ লগতে আন ৭ গৰাকী শীৰ্ষ পৰ্যায়ৰ খেলুৱৈ চীনৰ শ্বেনবানত কাইলৈ আৰম্ভ হবলগীয়া প্ৰথম কিং কাপ আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন অপেন ২০২৪ত অংশ ল'ব।

এই প্ৰতিযোগিতাত একক শাখাত মুঠ ৮ গৰাকী খেলুৱৈয়ে ভাগ ল'ব আৰু ভাৰতৰ লক্ষ্যসেন আজি কোৱাটাৰ ফাইনেলত হংকঙৰ এংগজ এনজিৰ বিৰুদ্ধে কোৰ্টত নামিব। প্ৰতিযোগিতাত ভাগ লোৱা আন

খেলুৱৈৰ মাজত  প্ৰাক্তন বিশ্ব চেম্পিয়ন ছিংগাপুৰৰ ল'হ কিন, ফ্ৰান্সৰ এলেক্স লেনিয়েৰ আৰু চীনৰ হু ঝে আন অন্যতম।

ooooo

সমাপ্ত